# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/তৰ্ক/৭০/১৯ তাৰিখ : ০১-১০-২০১৯
*Ref :* *Date :*

**আন্ত: জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা**

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ - সামাজিক ন্যাসৰ উদ্যোগত অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত জাতীয় বিদ্যালয় সমূহৰ ৮ম, ৯ম আৰু ১০ম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত এখন তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইতিপূৰ্বে বাতিল কৰা এই প্ৰতিযোগিতাখন অহা ১৯ অক্ট'বৰ, ২০১৯ তাৰিখে নুনমাটিৰ অসম জাতীয় বিদ্যালয় চৌহদত ৰাতিপুৱা ৯.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব।

তৰ্ক প্ৰতিযোগিতাৰ বিষয় ——

সদনৰ মতে, 'বৰ্তমানৰ নম্বৰকেন্দ্ৰিক শিক্ষা-ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা হ্ৰাস কৰিছে।'

In the opinion of the house, 'Today's marks-oriented education system has reduced student's creativity'.

তৰ্ক প্ৰতিযোগিতাৰ মাধ্যম হ'ব অসমীয়া আৰু ইংৰাজী। প্ৰতিখন বিদ্যালয়ৰ পৰা সপক্ষে এজন আৰু বিপক্ষে এজনকৈ মুঠ দুগৰাকী শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰিব লাগিব। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী প্ৰতিযোগীৰ সংখ্যাৰ যিহেতু এক নিৰ্দিষ্ট সীমাবদ্ধতা থাকিব, এই ক্ষেত্ৰত প্ৰথমে যোগাযোগ কৰা (First come, first served) প্ৰতিযোগীসকলক অগ্ৰাধিকাৰ দিয়া হ'ব। প্ৰতিখন বিদ্যালয়ৰ প্ৰতিযোগীসকলে শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা একোখন প্ৰমাণ পত্ৰ আনিব লাগিব। একো গৰাকী শিক্ষক বা শিক্ষয়িত্ৰী তত্ত্বাৱধায়ক হিচাপে প্ৰতিযোগীসকলৰ লগত আহিব লাগিব। দুৰণিবটীয়া বিদ্যালয়ৰ প্ৰতিযোগীসকলৰ বাবে আৰু তেওঁলোকৰ লগত আহিবলগীয়া তত্ত্বাৱধায়কসকলৰ বাবে বিদ্যালয় চৌহদতে বিনামূলীয়াকৈ থকা-খোৱাৰ ব্যৱস্থা থাকিব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে কোনো ধৰণৰ মাচুল জমা দিব নালাগে। তদুপৰি, প্ৰতিখন বিদ্যালয়ৰ দুগৰাকী প্ৰতিযোগী আৰু তত্ত্বাৱধায়ক শিক্ষক/শিক্ষয়িত্ৰীগৰাকী অহা-যোৱাৰ খৰছ (বাচ-ৰে'ল) অজাবি ন্যাসে বহন কৰিব। প্ৰতিযোগিতাখনৰ বিষয়ে সবিশেষ জানিবলৈ বিচাৰিলে তৰ্ক আৰু আলোচনা বিভাগৰ আহ্বায়িকা **চন্দনা মেধি চৌধুৰীৰ** লগত যোগাযোগ কৰিব পাৰিব। (যোগাযোগৰ সময় আবেলি ৩ বজাৰ পৰা ৭ বজালৈ।)

ফোন নং — ৯১০১২৩৫৪৮১, ৯১০১৩৬৭৫৮৪

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়